স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে

# নিয়মীয়া বাৰ্তা

২৩ জুলাই ২০২৬ চন ☐ VOL-16 ☐ NO-139 ☐ THURSDAY 23 JULY 2026 (ডিব্রুগড় সংস্কৰণ/DIBRU

ক

নিমিষতে
নোৱাৰা
ৰে। ২০
। উজনি
ঙুৰ পৰা
সকলো
থকা এই
৫ পৃষ্ঠাত

## “অসমীয়া’ৰ সংজ্ঞাক লৈ আলোচনা অব্যাহত আছে’

**ষ্টাফ ৰিপ’ৰ্টাৰ, ২২ জুলাই ঃ** ‘অসমীয়াৰ সংজ্ঞা নিৰ্ধাৰণ বিষয়টো অতি গুৰুত্বপূৰ্ণ আৰু সংবেদনশীল। এই বিষয়ত বিভিন্ন জাতীয়তাবাদী সংগঠনকে ধৰি সংশ্লিষ্ট অংশীদাৰসকলৰ সৈতে আলোচনা অব্যাহত আছে।’—এই কথা প্ৰকাশ কৰে অসম চুক্তি ৰূপায়ণ বিভাগৰ মন্ত্ৰী অতুল বৰাই। অসম বিধানসভাৰ অধিৱেশনৰ আজি সদনত কংগ্ৰেছী বিধায়ক ১৫ পৃষ্ঠাত



## কানৈ মহাবিদ্যালয়ত ‘প্ৰিন্সিপালছ লাষ্ট ক্লাছ’ শীৰ্ষক বক্তৃতানুষ্ঠান

**বিশেষ বাৰ্তা, ডিব্ৰুগড়, ২২ জুলাই ঃ** ‘শিক্ষা কেৱল পৰীক্ষাত পাছ কৰিবৰ বাবে লাভ কৰা নম্বৰ নহয়, শিক্ষা হ’ল মানুহৰ জীৱনৰ জীয়াই থকাৰ প্ৰস্তুতি, ই কেতিয়াও জীৱিকা উপাৰ্জনৰ বাবে নহয়। শিক্ষাৰ মূল উদ্দেশ্যটোৱেই হ’ল ভাল মানুহ হোৱা, ভাল মানুহ ১৫ পৃষ্ঠাত



পৰিদৰ্শন

উচ্চ

স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে

# নিয়মীয়া বাৰ্তা

026

পৰামৰ্শ আলোচনাৰ বাবে ২০২৫
ক্তাত তৃতীয় পৰ্যায়ৰ বৈঠকখনো
সচিব, সংশ্লিষ্ট বিভাগৰ জ্যেষ্ঠ
ল অংশগ্ৰহণ কৰে আৰু সংশ্লিষ্ট
পায়ণৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা
উপৰি পোনপটিয়াভাৱে কেন্দ্ৰীয়
সমিতিৰ ১৫টা পৰামৰ্শৰ ওপৰত
কাৰৰ লগত যোগাযোগৰ ব্যৱস্থা
বিতাৰণ সন্দৰ্ভত বিভাগীয় মন্ত্ৰী
০ বছৰত বৰ্তমানলৈকে অসমৰ
কক প্ৰত্যাৱৰ্তন বা বিতাৰণ কৰা
ন বাংলাদেশী নাগৰিকো আছে।
ৰপৰা ২০২৫ চনৰ ৩১ ডিচেম্বৰ
৯৫,৪২৭জন লোকক বিদেশী
ক সময়ছোৱাত ১,৮২৭জনক

## ২০ সহস্ৰাধিক

ৰ সংকটত পৰিছে। প্ৰায় দুবছৰ
নুদান মুকলি নোহোৱাত এই
প-নিকাচ, অডিট আৰু আইনী
জৰিমনা আৰু আইনী জটিলতাৰ
জিলাৰ ২৩টা বিধানসভা সমষ্টিত
পানীসমূহৰ সৈতে জড়িত ২০
ৱিকা গভীৰ অনিশ্চয়তাৰ সন্মুখীন
ফপিঅ'জ এণ্ড এগ্ৰেৰ্ষ্টে, চমুকৈ
ত বিষয়টো সম্পৰ্কে পশুপালন
গীয় সচিব আৰু ৰাজ্য চৰকাৰৰ
ৱা হ'লেও আজিলৈকে কোনো
নটোৱে জনোৱা মতে, প্ৰায় পাঁচ

## কানৈ মহাবিদ্যালয়ত 'প্ৰিঞ্চিপালছ লাষ্ট ক্লাছ' শীৰ্ষক

গঢ়া।' ডি এইচ এছ কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ মনোবিজ্ঞান বিভাগৰ অধ্যাপিকা উপাসনা দত্ত আৰু সমাজতত্ত্ব বিভাগৰ অধ্যাপিকা সুজাতা সোনোৱালৰ উদ্যোগত আয়োজিত 'প্ৰিন্সিপালছ লাষ্ট ক্লাছ-১.০' শীৰ্ষক এক বিশেষ বক্তৃতামালা শুভাৰম্ভ কৰি শিক্ষাৰ্থীসকলক উদ্দেশ্যি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই আজি এইদৰে কয়। মহাবিদ্যালয়ৰ শ্ৰীমন্ত শংকৰদেৱ সভাকক্ষত অনুষ্ঠিত বক্তৃতানুষ্ঠানত অধ্যক্ষ ড° শইকীয়াই কয় যে এজন শিক্ষাৰ্থীৰ সফলতা কেৱল শৈক্ষিক ফলাফলৰ দ্বাৰা নিৰ্ধাৰিত নহয়, বৰঞ্চ সমাজ, পৰিয়াল আৰু মানৱতাৰ প্ৰতি তেওঁ দেখুওৱা দায়িত্ববোধ আৰু আচৰণৰ জৰিয়তেহে প্ৰকৃত মূল্যায়ন হয়। ভাষণত তেওঁ মাতৃৰ ত্যাগ, পিতৃ-মাতৃৰ প্ৰতি শ্ৰদ্ধা, শিক্ষকক সন্মান, মাতৃভাষা আৰু সংস্কৃতিৰ সৈতে সংযোগ অটুট ৰখাৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰে। এক হৃদয়স্পৰ্শী কাহিনীৰ জৰিয়তে তেওঁ শিক্ষাৰ্থীসকলক স্মৰণ কৰাই দিয়ে যে জীৱনত যিমানেই উচ্চ স্থানত উপনীত নহওক কিয়, নিজৰ শিপা, পৰিয়াল আৰু বিশেষকৈ পিতৃ-মাতৃৰ ত্যাগ কেতিয়াও পাহৰিব নালাগে। ড° শইকীয়াই লগতে কয় যে জীৱনৰ অৰ্থ বাহিৰৰ পৰা দিয়া বস্তু নহয়, ভিতৰৰ পৰা সৃষ্টি কৰা এক গভীৰ অনুভূতি। যি কামে মানুহক আনন্দ দিয়ে, যি কামে নিজক পাহৰাই পেলাই, সেইটোৱেই হ'ল প্ৰকৃততে জীৱনৰ অৰ্থ। যদি জীৱনৰ অৰ্থ অনুভৱ কৰিবলৈ হয়, সেই প্ৰশ্নটো নিজকে কৰা উচিত, নিজক সোধা উচিত। তেওঁ কয় যে — মই কাৰ বাবে জীয়াই আছোঁ, মই কি কৰিম, পৃথিৱীলৈ আহি মই কাক, কি দি যাব বিচাৰোঁ। জীৱনৰ বাবে আজিৰ দিনটোৱেই যদি শেষ দিন হয়, তেন্তে কোনাবা এটা কাম কৰি যাবলৈ হ'লে কোনটো কাম মই প্ৰথমে কৰিম? এনে প্ৰশ্নৰ মাজতেই জীৱনৰ অৰ্থ লুকাই থাকে। তেওঁ পুনৰ কয়— জীৱনৰ অৰ্থ হ'ল- নিজেই নিজৰ বাবে দিব পৰা উত্তৰ। এজন মানুহৰ বাবে হাঁহি, কান্দোন, দুখ, বেদনা, সফলতা-বিফলতা, স্পৰ্শ এইবোৰেই হ'ল জীৱনৰ বাবে মহা মূল্যবান আৰু এয়াই হ'ল জীৱনৰ অৰ্থ। তেওঁ কয়— সফলতা আৰু ব্যৰ্থতা জীৱনৰ স্বাভাৱিক অংশ। ভুলক ভয় নকৰি তাৰ পৰা শিক্ষা গ্ৰহণ কৰি সাহসেৰে আগবাঢ়ি যোৱাটোৱেই জীৱনৰ মূল শিক্ষা। তেওঁ শিক্ষাৰ্থীসকলক সমাজৰ প্ৰতি দায়িত্বশীল নাগৰিক হিচাপে গঢ়ি উঠিবলৈ, বিপদত মানুহৰ কাষত থিয় দিবলৈ আৰু জীৱনত পদবী বা ধন-সম্পদতকৈ মানৱীয় মূল্যবোধক অধিক গুৰুত্ব দিবলৈ আহ্বান জনায়। কানৈ মহাবিদ্যালয়ত অধ্যক্ষ হিচাপে কৰ্মজীৱনৰ অভিজ্ঞতা স্মৰণ কৰি তেওঁ কয়— শিক্ষকে অৱসৰ ল'ব পাৰে, কিন্তু তেওঁৰ আদৰ্শ আৰু শিক্ষা শিক্ষাৰ্থীৰ মাজত চিৰদিন জীয়াই থাকে। শিক্ষাৰ্থীসকলৰ সফলতা, সততা আৰু সু-কৰ্মই তেওঁৰ জীৱনৰ আটাইতকৈ ডাঙৰ সাফল্য বুলি উল্লেখ কৰি তেওঁ মহাবিদ্যালয়লৈ নতুনকৈ অহা সকলো ছাত্ৰ-ছাত্ৰীৰ উজ্বল ভৱিষ্যৎ কামনা কৰে। আবেগিক পৰিৱেশত অনুষ্ঠিত এই 'প্ৰিন্সিপালছ লাষ্ট ক্লাছ' অনুষ্ঠানত অধ্যক্ষগৰাকীৰ জীৱনদৰ্শন, মূল্যবোধ আৰু মানৱীয় বাৰ্তাই উপস্থিত শিক্ষাৰ্থীসকলক গভীৰভাৱে অনুপ্ৰাণিত কৰে। উল্লেখ্য যে আজিৰ এই বক্তৃতানুষ্ঠানত বহুকেইগৰাকী ছাত্ৰ-ছাত্ৰী আৱেগিক হৈ পৰে আৰু জীৱন দৰ্শন সম্পৰ্কে, জীৱনৰ অনুভৱ-উপলব্ধিৰ বিষয়ে অধ্যক্ষজনৰ স'তে মত-বিনিময় কৰে। মনকৰিবলগীয়া যে এই বক্তৃতামালা খণ্ড খণ্ডকৈ অনুষ্ঠিত হ'ব বুলি উদ্যোক্তা দুয়োগৰাকী অধ্যাপিকাই জানিবলৈ দিয়ে।